**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ৮৪৪/২০২০**

এএইচইচিএল আৰু অইল ইণ্ডিয়া লিমিটেডৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ

# ক্ষিপ্ৰ উন্নয়নৰ বাবে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰাকৃতিক সম্পদসমূহে বহন কৰা সম্ভাৱনীয়তাৰ পূৰ্ণ প্ৰয়োগ কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২১ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আজি অসম হাইড্ৰকাৰ্বন এণ্ড এনাৰ্জী ক'ম্পানী লিমিটেড (এএইচইচিএল) আৰু অইল ইণ্ডিয়া লিমিটেডৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি অনুসৰি ১২৫ বৰ্গ কিলোমিটাৰ সামৰি নামৰূপ ব্লকত অইল ইণ্ডিয়া লিমিটেডক প্ৰদান কৰা খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ অন্বেষণ আৰু উৎপাদনৰ প্ৰক্ৰিয়াত ১০ শতাংশ এএইচইচিএলেও অংশীদাৰীত্বৰ লাভাংশ লাভ কৰিব। ২০০৬ চনত প্ৰতিষ্ঠা হোৱাৰ পিছৰে পৰা ইয়ে হৈছে এএইচইচিএলৰ প্ৰথম প্ৰকৃত ব্যৱসায়িক উদ্যোগ।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে অইল ইণ্ডিয়া লিমিটেডৰ দৰে এক নৱৰত্ন কোম্পানীৰ লগত বুজাবুজিৰ চুক্তিত উপনীত হোৱাৰ বাবে এএইচইচিএলক অভিনন্দন জ্ঞাপন কৰে। ৰাজ্য চৰকাৰে এই প্ৰতিষ্ঠানটোক ব্যৱসায়িক ক্ষেত্ৰত আগবঢ়াই নিয়াৰ লগতে ইয়াৰ পৰিসৰ বৃদ্ধিৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ মুখ্যমন্ত্ৰীয়ে অইল ইণ্ডিয়া লিমিটেডৰ বিষয়ববীয়াসকলক আহ্বান জনায়। সকলো প্ৰত্যাহ্বান নেওচি অসম তথা উত্তৰ-পূৰ্বাঞ্চলত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ অন্বেষণ আৰু উৎপাদনৰ ক্ষেত্ৰত লাভ কৰা সফলতাৰ বাবে তেওঁ অইল ইণ্ডিয়া লিমিটেডৰ শলাগ লয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে প্ৰস্তুত কৰা উত্তৰ পূৰ্বাঞ্চলৰ বাবে হাইড্ৰকাৰ্বন ভৱিষ্য দৰ্শন, ২০৩০ ক বাস্তৱায়িত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই অঞ্চলটোৰ সম্ভাৱনীয়তাৰ দ্ৰুত আৰু সম্পূৰ্ণ বিকাশৰ বাবে অঞ্চলটোৰ প্ৰতিখন ৰাজ্যই ইয়াৰ প্ৰাকৃতিক সম্পদ সমূহৰ উপযুক্ত ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। তেওঁ লগতে কয় যে অসমত খাৰুৱা তেল অন্বেষণৰ এক সোণোৱালী ইতিহাস আছে আৰু এই খণ্ডটোৱে ৰাজ্যখনৰ উন্নয়নত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

নুমলীগড় শোধনাগাৰৰ উৎপাদন ক্ষমতা ৩ মেট্ৰিক টনৰ পৰা ৯ মেট্ৰিক টনলৈ বৃদ্ধি কৰাৰ পদক্ষেপক আদৰণী জনাই মুখ্যমন্ত্ৰীয়ে এএইচইচিএলে ৰাজ্যখনৰ খাৰুৱা তেলৰ অন্বেষণ আৰু উৎপাদনত ভাল ফলাফল প্ৰদৰ্শন কৰিব বুলি আশা প্ৰকাশ কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে 'এডভান্টেজ আসাম' শীৰ্ষক বিশ্ববিনিয়োগ সন্মিলনৰ সফলতাৰ দিশসমূহ আলোকপাত কৰি কয় যে এই সন্মিলনত ৭৯ হাজাৰ কোটি টকাৰ বিনিয়োজনৰ প্ৰতিশ্ৰুতিৰে এতিয়ালৈকে ৫৪ হাজাৰ কোটি টকাৰ বিনিয়োগ বাস্তৱায়িত হৈছে। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰে ৰাজ্যখনৰ তেল আৰু প্ৰাকৃতিক গেছ খণ্ডই বহন কৰা সম্ভাৱনীয়তাসমূহৰ

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

পূৰ্ণ প্ৰয়োগৰ ওপৰত সংহত পদক্ষেপ লৈ আহিছে যাতে ৰাজ্যখনৰ যুৱচামৰ বাবে নিয়োগ সৃষ্টিৰ এক বৃহৎ সুযোগৰ সৃষ্টি হয়।

আজিৰ এই বুজাবুজিৰ চুক্তি স্বাক্ষৰিত অনুষ্ঠানত খনি আৰু খনিজ সম্পদ বিভাগৰ মন্ত্ৰী চুম ৰংহাং, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য পৰিচালন সঞ্চালক চন্দ্ৰ মিশ্ৰ, এএইচইচিএলৰ অধ্যক্ষ পোনাকণ বৰুৱা, এএইচইচিএলৰ পৰিচালন সঞ্চালক ভি এছ ভাস্কৰৰ লগতে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**স্বাঃডেঃ / প্ৰঃকুঃবঃ**
**২১/১২/২০২০**